# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 17-04-2026

**Time :** 1715 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

ooooo

১। লোকসভাত কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ক লৈ আলোচনা আৰম্ভ।

২। ৰাজ্যত ৰন্ধন গেছৰ ঘৰুৱা আৰু বাণিজ্যিক চিলিণ্ডাৰৰ যোগানত কোনো অসুবিধাৰ সৃষ্টি হোৱা নাই বুলি ভাৰতীয় তেল নিগমৰ স্পষ্টীকৰণ।

৩। ৰঙালী বিহুৰ চতুৰ্থ দিনটো আজি তাঁতৰ বিহু হিচাপে পালন।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ্, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

লোকসভাত সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ক লৈ আজি পুনৰ আলোচনা আৰম্ভ হৈছে। নিম্ন সদনখনত কালি মাজনিশালৈ তিনিওখন বিধেয়কক লৈ আলোচনা হয়। এই বিধেয়ক তিনিখনৰ জৰিয়তে দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত লোকসভা আৰু বিধানসভাত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰিবলৈ বিচৰা হৈছে। তিনিওখন বিধেয়কক লৈ আজি আবেলি ভোটগ্ৰহণ কৰা হ'ব।

এই সন্দৰ্ভত বিতৰ্কত অংশগ্ৰহণ কৰি ডি এম কেৰ সাংসদ কে কানিমোঝিয়ে বিধেয়ক কেইখনৰ বিৰোধিতা কৰি, ২০২৩ বৰ্ষত গৃহীত মহিলা সংৰক্ষণ আইনৰ বিষয়ে চৰকাৰে যোৱা নিশাহে জাননী জাৰি কৰাটোক উদ্বেগজনক বুলি অভিহিত কৰে। সদনত মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টোক লৈ আলোচনা অনুষ্ঠিত হৈ থকা সময়ত এনে ব্যৱস্থাৰ কি প্ৰয়োজন আছিল বুলি তেওঁ প্ৰশ্ন কৰে। সাংসদগৰাকীয়ে লগতে তামিলনাডুকে ধৰি বিভিন্ন ৰাজ্যত হৈ থকা নিৰ্বাচনত বিঘিনি ঘটোৱাৰ উদ্দেশ্যেহে এই বিশেষ অধিবেশনত বিধেয়ককেইখন উত্থাপন কৰা বুলি চৰকাৰৰ বিৰুদ্ধে অভিযোগ কৰে।

কংগ্ৰেছ সাংসদ শশী থাৰুৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টো সম্প্ৰতি সৰ্বসন্মত ৰাজনৈতিক সিদ্ধান্তৰ দুৰাৰদলিত উপস্থিত হৈছে বুলি মত প্ৰকাশ কৰে।

ooooo

অসমত ৰন্ধন গেছৰ ঘৰুৱা আৰু বাণিজ্যিক চিলিণ্ডাৰৰ যোগানত কোনো অসুবিধাৰ সৃষ্টি হোৱা নাই বুলি ভাৰতীয় তেল নিগম কৰ্তৃ-পক্ষই স্পষ্ট কৰি দিছে। গুৱাহাটীত আজি আয়োজিত এখন সংবাদমেলত ভাৰতীয়

তেল নিগমৰ কাৰ্যবাহী সঞ্চালক নীতিন ভাটনাগৰে এই সন্দৰ্ভত কয় যে ৰাজ্যৰ ৪ টা শোধানাগাৰতেই সম্প্ৰতি নিয়মীয়াকৈ উৎপাদন তথা যোগান অব্যাহত আছে। নতুনকৈ প্ৰৱৰ্তন কৰা ই-কে ৱাই চি পদ্ধতিৰ জৰিয়তে ৰাজ্যখনৰ ৮৪ শতাংশ গ্ৰাহকে চিলিণ্ডাৰ বুক কৰাৰ তথ্য প্ৰকাশ কৰি প্ৰতিষ্ঠানটোৰ ৰাজ্যিক মুৰববী শ্ৰীভাটনাগৰে কয় যে সম্প্ৰতি ৰাজ্যৰ ৯৩ লাখ গ্ৰাহকক নিয়মীয়াকৈ ইন্ধন যোগান ধৰি থকা হৈছে। এই সন্দৰ্ভত প্ৰতিষ্ঠানটোৰ মুৰববী নীতিন ভাটনাগৰে এইদৰে কয়-

(বাইট)

তদুপৰি নিৰ্ধাৰিত মূল্যতকৈ অধিক দৰত চিলিণ্ডাৰ বিক্ৰীৰ অভিযোগ সন্দৰ্ভত কৰ্তৃপক্ষই জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এনে অভিযোগক কেন্দ্ৰ কৰি ইতিমধ্যে ৮৮ গৰাকী বিতৰকক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ লগতে ৬ টা বিতৰকক নিলম্বন কৰা হৈছে। আনহাতে, অধিক দৰত চিলিণ্ডাৰ বিক্ৰী কৰাৰ অভিযোগত ৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

ooooo

ৰাজ্যজুৰি ৰঙালীৰ উছাহ অব্যাহত আছে। অসমবাসীয়ে আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো তাঁতৰ বিহু হিচাপে পালন কৰিছে। ৰঙালী বিহুৰ পৰম্পৰা অনুসৰি সাত বিহুৰ অন্যতম হ'ল তাঁতৰ বিহু। অসমীয়া জনজীৱনৰ আদৰৰ সম্পদ তাঁতশালৰ গুৰুত্ব অনুধাৱনেৰে ৰঙালী বিহুৰ চতুৰ্থ দিনা তাঁতৰ বিহু পালন কৰি অহা হৈছে। কাইলৈ নাঙল বিহু, পৰহিলৈ জীয়ৰী বা চেনেহী বিহু আৰু সোমবাৰে চেৰাবিহু পালন কৰা হ'ব। অৱশ্যে, ঠাই বিশেষে সাদিনীয়া বিহুৰ প্ৰতিটো দিনৰে নামৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্য দেখা যায়। সাদিনীয়া বিহুৰ শেষৰটো দিনত বিভিন্ন অঞ্চলত বিহু ভঙা উৎসৱ, পাৰতোলা বা ভঠেলী পালন কৰা হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আয়োজন কৰা মঞ্চ বিহু অনুষ্ঠানসমূহত হুঁচৰি, বিহুনাচ, লোক কৃষ্টিৰ বিভিন্ন অনুষ্ঠানৰ লগতে জনপ্ৰিয় সংগীত শিল্পীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হৈছে।

বাক্সা জিলাৰ মধ্য বৰপেটাত দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা ৰঙালী বিহুৰ কালি সামৰণি পৰে। তামুলপুৰ জিলাৰ কচুবাৰীত জেং বিহুৰ সুন্দৰ পৰিৱেশন পৰিলক্ষিত হয়। অঞ্চলটোৰ স্থানীয় জীয়ৰী-বোৱাৰীৰে গঠিত বিৰিণা জেং বিহুৰ দলে লোক-পৰম্পৰা অনুসৰি, গাঁৱৰ প্ৰতি ঘৰ মানুহৰ চোতালত জেং বিহু প্ৰদৰ্শন কৰে। সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত অনুষ্ঠিত ৰঙালী বিহুৰ কাৰ্য্যসূচী আজি মন্ত্ৰী চৰণ বড়োৱে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি ৰাজ্যখনত শান্তি-সমৃদ্ধি-প্ৰগতি আৰু ভাতৃত্ববোধৰ ক্ষেত্ৰত নতুন দিগন্ত সূচনা কৰাৰ কামনা কৰে।

ooooo

বিহুৰ সমান্তৰালভাৱে বিভিন্ন জনগোষ্ঠীৰ বসন্তকালীন উৎসৱেও ৰাজ্য মুখৰ কৰি তুলিছে। তিৱা জনগোষ্ঠীৰ উৎসৱ ছগ্ৰা মিছাৱা আৰু দেউৰীসকলৰ ইবাকু বিছু, বড়োসকলৰ বৈসাগু, শৰণীয়া কছাৰী জনগোষ্ঠীৰ লোকসকলৰ বাঁহ গোসাঁই উৎসৱ ৰাজ্যৰ ঠায়ে ঠায়ে পালন কৰা হৈছে।

চিৰাং জিলাৰ কাজল গাঁৱৰ দাংতল ৰংজালী বৈসাগু উদযাপন সমিতিয়ে উলহ-মালহেৰে ৰংজালী বৈসাগু উৎসৱৰ আয়োজন কৰিছে। পৰম্পৰাগতভাৱে পালন কৰি অহা ৰংজালী বৈসাগুত কালি মুকলি বিহু লাংডাং

বৈসাগু অনুষ্ঠিত হয়। এই বিহুত সকলোৱে পৰম্পৰাগত জাতীয় সাজ-পাৰ পৰিধান কৰি নাচ-গানত অংশ লয়।

বড়ো জনগোষ্ঠীৰ লোকসকলে চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা পালন কৰা বৈশাগু উপলক্ষে বাথৌ দেৱতাক প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা আদি বাদ্যৰে গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গায়।

টিংখঙৰ চহৰীকাটা গাঁৱত সোণোৱাল কছাৰীৰ লোকসকলে ঘৰে ঘৰে পৰম্পৰাগত হাইদাং হুঁচৰি পৰিৱেশন কৰে।

দেউৰীসকলৰ বসন্তকালীন উৎসৱ ইবাকু বিছুও পৰহিৰে পৰা ৭ দিনীয়াকৈ পালন কৰা হৈছে। উপাস্য দেৱতা কুণ্ডিমামা, পিচাদেমা, পিচাচি দেমাচিকে ধৰি বিভিন্ন উপাস্য দেৱ-দেৱীসকললৈ উছৰ্গা আগবঢ়াই ডেকা-গাভৰুসকলে সামাজিক স্থানত লোক গীত, লোক নৃত্য পৰিৱেশন কৰে। সাদিনীয়া বিছু উৎসৱ পালনৰ পাছত শেষৰ দিনটোত বিছু উৰুৱাবা পালন কৰি এই উৎসৱৰ সামৰণি মৰা হ'ব।

কাৰ্বি আংলং জিলাৰ উমছুৱাইৰ আমছং পিনুঙত অহা ২২ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তিৱা জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ লুখুমী য়াংলি অৰ্থাৎ লখিমী আদৰা উৎসৱ পালন কৰা হ'ব। প্ৰতি ৫ বছৰ মূৰে মূৰে এই উৎসৱ উদযাপন কৰা হয়। এই উৎসৱৰ বাবে ইতিমধ্যে গাঁওবাসীয়ে প্ৰস্তুতি আৰম্ভ কৰিছে।

০০০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ২১ এপ্ৰিলৰ পাছত ঘোষণা কৰা হ'ব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি এখন জাননী যোগে প্ৰকাশ কৰিছে। আজি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰচাৰ হোৱা এটা বাতৰি ভুৱা বুলি স্পষ্টীকৰণ দি শিক্ষা পৰিষদে এই জাননী জাৰি কৰিছে। লগতে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকক উৰা বাতৰিত ভোল নাযাবলৈ আহ্বান জনাই ফলাফল ঘোষণাৰ সঠিক দিন আৰু সময় পৰৱৰ্তী সময়ত জনোৱা হ'ব বুলি জাননী যোগে শিক্ষা পৰিষদে প্ৰকাশ কৰিছে। একেখন জাননীতে কেৱল চৰকাৰী ৱেবছাইটৰ তথ্যৰ ওপৰতহে বিশ্বাস ৰাখিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

ৰাজ্যৰ প্ৰাক্তন শিক্ষামন্ত্ৰী তথা পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক যতীন মালীৰ আজি গুৱাহাটীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। পূৰ্বৰ অগপ চৰকাৰৰ আমোলত শিক্ষামন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰা প্ৰয়াত মালীয়ে এইবাৰৰ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হৈছিল।

০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **বিহুনামত প্ৰকৃতি আৰু অসমীয়া সমাজৰ স্থান** শীৰ্ষক এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। অসমৰ প্ৰথমগৰাকী বিহু সম্ৰাজ্ঞী তথা গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ ৰূপা ডেকা পাটৰৰ সৈতে হোৱা এই সাক্ষাৎকাৰ গ্ৰহণ কৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ।

০০০০০

পশ্চিম যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সন্মুখত আজি এখন তীব্ৰবেগী বাহনে আন এখন বাহনক পাচফালৰ পৰা খুণ্ডা মৰাৰ ফলত বাহনখনৰ চালকজন থিতাতে নিহত হোৱাৰ লগতে বাকী ৪ গৰাকী যাত্ৰী গুৰুতৰভাৱে আহত হয়। আহতসকলক ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০

লন বল

০০০০০

ভাৰতীয় লন বল দলত অসমৰ নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালে স্থান লাভ কৰিছে।

এছিয়ান ল'ন বল প্ৰতিযোগিতাত মহিলা একক শাখাত সোণ আৰু পুৰুষৰ একক আৰু ত্ৰিপল শাখাত ব্ৰঞ্জৰ পদক লাভ কৰা নয়নমণি আৰু পুতুলে অহা ১১ৰ পৰা ১৭ মে' লৈকে অষ্টেলিয়াৰ ভিক্ট'ৰিয়াত অনুষ্ঠিত হ'ব লগীয়া ইনড'ৰ বিশ্ব লন বল প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰে।

০০০০০

সমাপ্ত